## ছন্দ ঃ ছন্দৰ প্ৰয়োজনীয়তা

ছন্দ শব্দৰ সাধাৰণ অৰ্থ সুষম। ই গতিশীলতাও বুজায়। কবিতাৰ ছন্দ বুলিলে সাধাৰণতে ধ্বনিবিন্যাসৰ সুষম বা ধ্বনিবিলাসক নিয়মিতকৰণৰ যোগেদি আনি দিয়া ভাষাটোৰ শ্ৰুতিমধুৰ স্বচ্ছন্দ গতিশীল অৱস্থাকেই বুজা যায়। বাক্যবোৰৰ অন্ত্যমিলকেই ছন্দ বুলি বহুতেই ভুল কৰে। কিন্তু ছন্দৰ বাবে অন্ত্যমিল অপৰিহাৰ্য নহয়।

ছন্দ অথবা ছন্দোবদ্ধ ৰীতিয়ে কবিতাক পদ্যভাষাৰ নাটকৰ বাহিৰে সাহিত্যৰ আন বিভাগৰ পৰা নিলগাই ৰাখিছে। ছন্দ কেৱল কবিতাৰ বহিৰংগ উপাদানেই নহয়। কবিতাক ৰসসমৃদ্ধ আৰু সংগীতময় কৰি কবিতাৰ আভ্যন্তৰীণ সৌন্দৰ্য ফুটাই তোলাৰ ক্ষেত্ৰত ছন্দৰ প্ৰয়োজনীয়তা অস্বীকাৰ কৰিব নোৱাৰি। কবিতাত ছন্দৰ গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখি ইংৰাজী সাহিত্যৰ প্ৰখ্যাত সমালোচক ছেমুৱেল জনছনে ছন্দোবদ্ধ ৰচনাকেই কবিতা আখ্যা দিছে। আকৌ জাৰ্মান দাৰ্শনিক হেগেলে কবিতাৰ প্ৰসংগত লিখিছিল— "...অলংকাৰপূৰ্ণ আৰু চিত্ৰৰূপময় শব্দ চয়নতকৈয়ো ছন্দৰ প্ৰয়োজনীয়তা অধিকতৰ।" (Metre is even more necessary than a figurative and picturesque diction).

কবিতাৰ ভাষাক গদ্যৰ ভাষাতকৈ পৃথক কৰি তোলাত ছন্দৰ বিশেষ গুৰুত্ব আছে। কিন্তু ছন্দক কবিতাৰ প্ৰধান আৰু একমাত্ৰ বিশেষত্ব বুলিও ক'ব নোৱাৰি। কাৰণ ছন্দোবদ্ধ আকাৰৰ থকা ৰচনা কবিতা নহ'বও পাৰে বা সকলো কবিতাৰে ধৰাবন্ধা ছন্দ নাথাকিবও পাৰে। তথাপি কবিতাৰ গঠনভংগীত ছন্দৰ প্ৰয়োজনীয়তা স্বীকৃত হৈ আহিছে কাৰণ কবিতাৰ বাবে আৱশ্যকীয় আন আন গুণৰ সমাহাৰত ছন্দৰ মাধ্যমত কবিতাই

প্ৰাণ পাই উঠে।

ছন্দৰ দুটা উপাদান— ছন্দোবদ্ধ (Metre) আৰু ছন্দস্পন্দ (Rhythm) — এই দুবিধে মিলি নাইবা অকলেই কবিতাক মোহনীয় কৰি তোলাত সহায় কৰে। কবিতাত ব্যৱহাৰ হোৱা বাক্যবিলাকৰ অন্তৰ্ভুক্ত ধ্বনিসমূহৰ বাঙ্কোনক ছন্দোবদ্ধ বোলে। আনহাতে ছন্দস্পন্দই কবিতালৈ কঢ়িয়াই আনে গতিৰ মুখৰতা আৰু কবিতাৰ প্ৰাণ হ'ল ছন্দস্পন্দ। কেতিয়াবা কেতিয়াবা কোনো আধুনিক কবিতা দেখাত কিছুমান গদ্য-বাক্যৰ সমষ্টি যেন লাগে। কিন্তু তাক যেতিয়া নিৰ্দিষ্ট সুৰত পাঠ কৰা হয় তেতিয়া শ্ৰোতাই তাৰ মাজত এটি ছন্দৰ স্পন্দন অনুভৱ কৰে। সেয়ে হৈছে ছন্দস্পন্দ।

ছন্দৰ গঠনৰ দিশত অক্ষৰ, মাত্ৰা, যতি, পৰ্ব, পদ বা চৰণ, স্তৱক, মিত্ৰাক্ষৰ আদি দিশবোৰ জড়িত হৈ আছে। বাগ্‌যন্ত্ৰৰ এটা প্ৰয়াসত যি শব্দাংশ উচ্চাৰিত হয় তাকে ধ্বনি বোলে। এটা ধ্বনি উচ্চাৰণ কৰিবলৈ যিমান সময় লাগে তাকে মাত্ৰা বোলে। যতি মানে হ'ল বিৰাম। কবিতাৰ ক্ষেত্ৰত ভাব বা অৰ্থৰ সম্পূৰ্ণতাক লৈ আৰু ধ্বনিতৰংগ সৃষ্টিৰ কাৰণে মাজে মাজে ৰ'বলগীয়া হয়। এই বিৰাম স্থলবোৰেই হ'ল যতি। দৈৰ্ঘ অনুসাৰে যতিক চাৰিটা ভাগত ভাগ কৰা হয়। পূৰ্ণযতি, অৰ্ধযতি, লঘুযতি আৰু উপযতি।

যতিয়ে ভাগ কৰি দিয়া অংশবিশেষেই হ'ল পৰ্ব আৰু কবিতাত এটা বা তাতোকৈ অধিক পৰ্ব লগলাগি এটা পদ বা চৰণৰ সৃষ্টি হয়। এটা চৰণ নিজে সম্পূৰ্ণ হ'লেও তাৰ সৈতে অন্য চৰণ সংযুক্ত হ'লেহে তাৰ ছন্দোময়তা সম্পূৰ্ণ হয়। এটাতকৈ বেছি আৰু সাধাৰণতে পূৰ্ণভাব প্ৰকাশ কৰা ছন্দোবদ্ধ ৰচনাক স্তৱক বোলা হয়। কবিতাৰ চৰণ বিশেষৰ ধ্বনিবোৰ অনুপ্ৰাসযুক্ত অৰ্থাৎ মিল থকা বৰ্ণৰ বিন্যাস হ'লে তাক মিত্ৰাক্ষৰ বোলে।

অসমীয়া কবিতাৰ পুৰণি আৰু আধুনিক দুয়োটাৰে ছন্দ চৰিত্ৰ সম্পূৰ্ণ বেলেগ। পুৰণি অসমীয়া কবিতাৰ ছন্দক পয়াৰ, দুলড়ী, ছবি, লেচাৰী, ঝুনা, ঝুমুৰি, কুসুমমালা, চপয় আদি প্ৰভৃতি ৰূপসজ্জাত সজ্জিত কৰা হৈছিল। কিন্তু আধুনিক অসমীয়া কবিসকলে পুৰণি নিৰ্দিষ্ট অক্ষৰ, পৰ্ব, যতি আৰু মিলযুক্ত ছন্দ সম্পূৰ্ণৰূপে পৰিহাৰ কৰিছে। ভাব আৰু বিষয়ৰ সৈতে সম্পৰ্ক ৰাখি আধুনিক কবিতা দুই ধৰণৰ ছন্দত লিখা— (ক) মুক্তক ছন্দ আৰু (খ) স্পন্দিত গদ্য ছন্দ। এই দুইবিধ ছন্দৰ ব্যৱহাৰে আধুনিক অসমীয়া কবিতাৰ আংগিকলৈ বৈচিত্ৰ্য আনিছে। মুক্তক ছন্দৰ বিষয়ে আলোচনা কৰি মহেন্দ্ৰ বৰাই *অসমীয়া কবিতাৰ ছন্দ* নামৰ গ্ৰন্থত এনেদৰে লিখিছে— "এই ছন্দত পংক্তিৰ আয়তন অতি নিৰ্দিষ্ট নহয়। যিহেতু ভাব প্ৰবাহৰ আয়তন অসমান, সেইবাবে ধ্বনি প্ৰবাহৰ আয়তনো অসমান হোৱাটোৱেই স্বাভাৱিক। মুক্তক ছন্দৰ মূল কথা হ'ল ভাব অনুসৰি যতি স্থাপন।" আধুনিক অসমীয়া কবিতাৰ বুৰঞ্জীত ১৯৪১ চনত বাঁহীত প্ৰকাশ পোৱা মহেশ্বৰ নেওগৰ 'অন্ত্যজা' নামৰ কবিতাটিয়ে আনুষ্ঠানিকভাৱে মুক্তক ছন্দৰ প্ৰৱৰ্তন কৰে বুলি ক'ব পাৰি। কবিতাটিত মুক্তক ছন্দৰ প্ৰয়োগ ঘটিছে এনেদৰে—

আজিও মনত পৰে

তাই শিশিৰৰনিশা সমাপ্তিৰ
বাস্তৱৰ পংক ভেদি উঠা ব্যথাক্লিষ্ট
পদুম সপোন
লক্ষীহীনা সৌন্দৰ্যৰ লখিমী গোসানী। (মহেশ্বৰ নেওগ ঃ অন্ত্যজা)

ওপৰৰ কবিতাফাঁকিত দেখা গৈছে যে ইয়াত পংক্তিবোৰৰ আৰু পৰ্ববোৰৰ সমতা নাই। হ্রস্ব, দীৰ্ঘ বিভিন্ন পৰ্বৰ ইয়াত লয়যুক্ত সমাৱেশ হৈছে। গতিকে ছন্দসজ্জাৰ প্ৰচলিত বা ধৰাবন্ধা ৰীতিৰ পৰা মুক্তি লাভ কৰি ইয়াৰ ছন্দ মুক্তক হৈ পৰিছে। মুক্তক ছন্দৰ দৰে স্পন্দিত গদ্যইও অসমীয়া কবিতাত এক নিজস্ব আসন অধিকাৰ কৰিছে।

মুঠতে কবিতাৰ সৌন্দৰ্য বৃদ্ধি কৰি ইয়াক ৰস-সমৃদ্ধ আৰু সংগীতময় কৰি তোলাৰ ক্ষেত্ৰত ছন্দৰ প্ৰয়োজনীয়তা অনস্বীকাৰ্য।